হ'ল যে বেমাৰটো অতি সোঁচৰা। কদৰ্য ঔদ্যোগিক অঞ্চলবোৰত নিগনিৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পাইছিল আৰু নিগনিবোৰৰ পৰাই এই ভয়ানক বেমাৰ মানুহৰ দেহলৈ বিয়পিছিল। সুদৰ্শনৰ ককাকৰ তিনিটা ভায়েকৰ এই ৰোগত দুই-এদিনৰ অগাপিছাকৈ মৃত্যু ঘটিছিল। পৰিয়ালৰ আৰু চা-চিনাকি কেইবাজনো মানুহৰো হঠাতে মৃত্যু ঘটিছিল। মৃতদেহবোৰ সৎকাৰ কৰাৰ পৰিৱৰ্তে কোনো এক স্থানত একেলগে দাহ কৰা হৈছিল। এটা সময়ত মৰণমুখী মানুহবোৰৰ মুখত পানী এটোপা দিবলৈও কোনো নোহোৱা হৈ আহিছিল। কাৰণ ভালে থকাবোৰো দিহিঙে-দিপাঙে পলাবলৈ ধৰিছিল। ভাগ্যক্ৰমে সুদৰ্শনৰ ককাক সেইসময়ত মহামাৰী অধ্যুষিত উদ্যোগক্ষেত্ৰৰ পৰা আঁতৰৰ গাঁৱত থকা বাবে ৰক্ষা পৰিছিল। জীয়াই থকাৰ তাড়নাতে ককাকে নিজৰ পৰিয়ালটো আৰু কিছু আত্মীয়-কুটুমৰ সৈতে চুৰাটৰ কাষৰীয়া গাঁও এখনলৈ পলাই আহিছিল, য'ত তেওঁলোকৰ কিছু আত্মীয় আগৰে পৰাই বাস কৰিছিল। চুৰাটত থিতাপি লোৱাৰ পাছত আৰু সুদৰ্শনহঁতৰ পৰিয়ালটো পুনৰ বোম্বাইৰ পুৰণি বাসস্থানলৈ ঘূৰি নগ'ল। প্লেগে পৰিয়ালটো বিতাড়িত কৰিলে।

প্লেগে সময়ে সময়ে বিশ্বজুৰি বিয়পাই দিয়া ভয়াৱহতাৰ কথা পৰীক্ষিতে পড়িছে। ৫৪০ চনত মধ্য আফ্ৰিকাৰ ইথিঅ'পিয়াত এবিধ অচিন ৰহস্যজনক ৰোগ আৰম্ভ হৈছিল। এই ৰোগ ইজিপ্ট আৰু সম্ৰাট বাইজেনষ্টাইনৰ শাসনাধিষ্ঠিত সুসমৃদ্ধ ৰোমান সাম্ৰাজ্যলৈও বিয়পি পৰিছিল। ৫৪২ চনৰ ভিতৰত এই ৰোগবিধ সাগৰীয় বাণিজ্য পথেদি ইটালি, ফ্ৰান্স, আয়াৰলেণ্ড, মধ্যপ্ৰাচ্য আৰু এছিয়া মহাদেশ পৰ্যন্ত বিয়পি কেইবা লাখো লোকৰ প্ৰাণ লৈছিল। লক্ষণসমূহ বিশ্লেষণ কৰি তেতিয়াৰ এই অচিন মহামাৰীক প্ৰথম প্লেগ মহামাৰীৰূপে চিহ্নিত কৰা হৈছে। ইয়াৰ পাছত ১৩৪৭ চনৰ পৰা ১৩৫১ চনৰ ভিতৰত এছিয়া মহাদেশৰ চীন সাম্ৰাজ্যৰ পৰা সমগ্ৰ ইউৰোপলৈকে বিয়পি পৰা প্লেগ মহামাৰী তেতিয়া 'ব্লেক ডেথ' নামেৰেহে পৰিচিত আছিল। ইয়াৰ কাৰণ আছিল দৰব-জাতিতো বাদেই, কোনেও তেতিয়া এই ৰহস্যজনক বেমাৰটোৰ ভেদকে ভাঙিব পৰা নাছিল। তেৰ শতিকাত মংগোলসকলে চীনত আধিপত্য বিস্তাৰ কৰিছিল আৰু কৃষিৰ লগতে ব্যৱসায়-বাণিজ্যৰো পাতনি মেলিছিল। পিছে ১৩৩০ চনমানৰ পৰা হোৱাংহোৰ বান আৰু অন্যান্য প্ৰাকৃতিক দুৰ্যোগৰ লগতে খাদ্য সংকটে উদ্যোগক্ষেত্ৰসমূহত বংশবৃদ্ধি কৰা নিগনিবোৰৰ মৃত্যু ঘটাইছিল। লগে লগে এটা অচিন ৰহস্যজনক ৰোগে মানুহৰ মাজত হাহাকাৰ সৃষ্টি কৰিছিল। নিগনিবোৰ মৰাটো সেই সময়ত সেই অচিন বেমাৰৰ সংকেতহে আছিল। পোনপটীয়া সম্পৰ্ক কি সেয়া সেই সময়ত জানিব পৰা হোৱা নাছিল। খাদ্যৰ অভাৱৰ বাবে এই মৃত নিগনিবোৰ মংগোলসকলে খোৱাৰ জৰিয়তেও এই বেমাৰবিধ মানুহৰ দেহলৈ আহিল বুলি কিছু গৱেষকে মন্তব্য কৰিছে। মংগোলসকলৰ ব্যৱসায়িক আৰু সামৰিক অভিযানসমূহৰ জৰিয়তে এই বেমাৰ সমগ্ৰ ইউৰোপ মহাদেশলৈ বিয়পি প্ৰায় পোন্ধৰ বছৰ ধৰি পৃথিৱীবাসীক সন্ত্ৰাসিত কৰি ৰাখিছিল। সেই সময়ছোৱাত এই বেমাৰটোৱে প্ৰায় এশ নিযুত মানুহৰ প্ৰাণ লৈছিল। মংগোল সেনাপতি জানি বেইগৰ নেতৃত্বত মংগোল সৈন্যই ১৩৩৪ চনত ক্ৰিমিয়াৰ বন্দৰ চহৰ কাফা অধিকাৰ কৰিছিল। মংগোলসকলৰ ৰচদ-পাতি থকা যুদ্ধ জাহাজতে সেই ৰহস্যজনক বেমাৰৰ বাহক নিগনি আৰু সংক্ৰমিত ৰোগীয়েও ইউৰোপত পদাৰ্পণ কৰিছিলগৈ। এনে ৰোগীৰ মৃতদেহ ৰাজহুৱা স্থানত আঁৰি, পানীত পেলাই মংগোলসকলে জৈৱিক অস্ত্ৰৰূপে ব্যৱহাৰ কৰি মানুহৰ মাজত সন্ত্ৰাস বিয়পাইছিল। বোধকৰো ইয়ে আছিল পৃথিৱীত প্ৰথম জৈৱিক অস্ত্ৰ ব্যৱহাৰৰ নিদৰ্শন। তাৰ পাছত ক্ৰমান্বয়ে ইটালি, স্পেইন, পৰ্টুগাল, ইংলেণ্ড আদিত এই ৰোগ বিয়পি পৰিছিল। ১৩৪৮ চনৰ ভিতৰত জাৰ্মেনি, স্কটলেণ্ড, স্কাণ্ডিনেভিয়া, নৰৱে, আইছলেণ্ড আৰু ১৩৫১ চনত সমগ্ৰ ৰাছিয়াতে এই বেমাৰ বিয়পি পৰিল। ইয়াৰ পাছৰ কেইটামান দশকত এই ৰোগবিধৰ প্ৰাদুৰ্ভাৱ কিছু কমিছিল যদিও বিক্ষিপ্তভাৱে পৃথিৱীৰ বিভিন্ন স্থানত প্লেগে সন্ত্ৰাস সৃষ্টি কৰি আহিছিল। ১৯৪৭ চনত প্ৰকাশ পোৱা 'দা প্লেগ' নামৰ বিখ্যাত উপন্যাসখনত ফৰাছী ঔপন্যাসিক আলবেয়াৰ কেমুৱে ফ্ৰান্সৰ অ'ৰান নামৰ চহৰখনত প্লেগে সৃষ্টি কৰা ভয়াৱহ পৰিস্থিতিৰ বিষয়ে কৰা মৰ্মস্পৰ্শী বৰ্ণনা পৰীক্ষিতে পঢ়িছে। সেই সৰু চহৰখনত ১৫৫৬, ১৬৭৮ চনৰ পাছত ১৯২১, ১৯৩১ আৰু শেহতীয়াকৈ ১৯৪৪ চনত প্লেগ নামৰ ৰোগবিধে দেখা দিছিল। ১৮৪৯ চনত কলেৰা মহামাৰীয়েও চহৰখন আক্ৰান্ত কৰিছিল। চহৰখন যেন হৈ পৰিছিল অভিশপ্ত। সেই সৰু অ'ৰান নামৰ চহৰখনৰ কাহিনীয়ে যেন দাঙি ধৰিছে সমগ্ৰ পৃথিৱীৰে প্ৰতিচ্ছবি, য'ত চৰম হতাশাজৰ্জৰ পৰিস্থিতিতো উজলি উঠে মানৱীয় প্ৰমূল্যৰ উত্থান।

প্লেগৰ তৃতীয় বৃহৎ মহামাৰী আৰম্ভ হয় ১৮৭৪ চনৰ জানুৱাৰি মাহত। চীনৰ য়ুনান প্ৰদেশত আৰম্ভ হৈ জুন মাহ পৰ্যন্ত এই ৰোগ চীনৰ হংকং চহৰলৈ বিয়পি প্ৰায় আশী লাখ মানুহৰ প্ৰাণ ল'লে। ইয়াৰ পাছত এছিয়া মহাদেশৰ পৰা বাণিজ্যপথেদি ইউৰোপ, মধ্যপ্ৰাচ্য আদিলৈ এই ৰোগ বিয়পিল। পিছে সুখৰ কথা যে ১৮৭৪ চনত ফ্ৰান্সৰ জীৱবিজ্ঞানী আলেকজেন্দ্ৰি য়াৰছিনে হংকঙত গৱেষণাগাৰ পাতি এই ৰোগৰ কাৰক বেক্টেৰিয়াবিধ চিনাক্ত কৰে আৰু নিগনিৰ দেহত পৰজীৱী হিচাপে থকা ওকণিৰ দেহত এই বেক্টেৰিয়া থকাটো নিশ্চিত কৰে, যি ভয়াৱহ প্লেগ ৰোগৰ কাৰক। ইয়াৰ পাছতে প্লেগৰ ঔষধ আদি আৱিষ্কৃত হ'ল যদিও প্লেগ নিৰ্মূল কৰিব পৰা নগ'ল। ১৮৯৬ চনৰ ছেপ্টেম্বৰ মাহত এই অচিন ৰোগে বোম্বাইতো পদাৰ্পণ কৰিলেহি। তাৰ বলি হ'ল সুদৰ্শনহঁতৰ পূৰ্বপুৰুষসকল। চুৰাটলৈ আহি সুদৰ্শনৰ ককাক পূৰ্বৰ অভিজ্ঞতাৰ জোৰতে চুৰাটত নকৈ বিকাশ ঘটা বস্ত্ৰ উদ্যোগৰ লগত জড়িত হৈ পৰিল। তেওঁ পালে এটা সূতাকলৰ মুখ্য মেচিনমেনৰ গুৰু দায়িত্ব। চুৰাটৰ পুৰণি জৰীকৰ্মৰ কুটীৰ উদ্যোগৰ লগতো ঘৰখন জড়িত হৈ পৰিল। ছিল্কৰ শাৰী বা বস্ত্ৰত সোণ, ৰূপ, তামৰ লেপন দিয়া সূতা বা জৰীৰে অনন্য সুন্দৰ চিত্ৰায়ণ কৰাত চুৰাট অঞ্চলৰ বস্ত্ৰশিল্পীসকল বিশেষ পাৰ্গত আছিল । দোপত দোপে উন্নতি কৰি সুদৰ্শনহঁতৰ ঘৰখনৰ অৱস্থা এনে পৰ্যায় পাইছিলগৈ যে সুদৰ্শনৰ দেউতাকে এটা এম্ব্ৰইডাৰি আৰু কাপোৰত ৰং কৰা উদ্যোগ নিজাকৈ স্থাপন কৰি ভালেমান কৰ্মচাৰীও নিয়োগ কৰিছিল। পিছে পৰিয়ালটোলৈ আকৌ হঠাতে ধুমুহা এজাক আহিল। কেৱল সুদৰ্শনহঁতৰ পৰিয়ালেই নহয়, এনে ধুমুহাই পৃথিৱীৰ প্ৰান্তে-প্ৰান্তে সময়ে-অসময়ে সমগ্ৰ মানৱ প্ৰজাতিক মোহাৰি থানবান কৰি আহিছে। মানুহৰ অহংকাৰ ধূলিস্যাৎ কৰি আহিছে। ১৯৯৪ চনৰ ২১ ছেপ্টেম্বৰৰ সন্ধিয়া চুৰাটত বনজুইৰ দৰে বিয়পি পৰিল সেই ভয়ংকৰ খবৰ। প্লেগ ৰোগত নগৰৰ অসামৰিক চিকিৎসালয়ত এজন ব্যক্তিৰ মৃত্যু হৈছে আৰু আন কেইবাজনো প্লেগৰ লক্ষণ থকা ৰোগী চিকিৎসালয়ত ভৰ্তি হৈছে। সেইদিনা ৰাতিয়েই নগৰ প্ৰশাসনে ঘোষণা কৰিলে প্লেগৰ সংক্ৰমণৰ সম্ভাৱনাৰ কথা আৰু জনসাধাৰণক সৰ্তক কৰি দিলে। কেউফালে হুৱাদুৱা লাগিল। বহু বছৰৰ পাছত সেইবাৰ বাৰিষাৰ এটা বানপানীৰ পাছত চুৰাট নগৰখন কেউফালে কদৰ্যময় হৈ পৰিছিল। অপৰিকল্পিতভাৱে আশে-পাশে গঢ়ি উঠা বস্ত্ৰ উদ্যোগ, বজাৰ অঞ্চল আদিৰ বাবে এনেয়েও চুৰাট এখন অপৰিষ্কাৰ নগৰত পৰিণত হৈছিল। এনে পৰিৱেশত খাদ্য আৰু বাসস্থানৰ অভাৱত বিভিন্ন স্থানত নিগনিবোৰ মৰিবলৈ ধৰা সকলোৱে দেখা পালে। এয়াই আছিল আগজাননী। প্ৰশাসনৰ ঘোষণাৰ পাছতে মানুহবোৰ গৃহবন্দী হোৱাৰ ভয়ত নগৰ এৰি যেনি-তেনি পলাবলৈ ধৰিলে। চুৰাট নগৰখন